**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস পালন।

২। ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত ২৫ শতাংশ আসন দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰক উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। বাংলাদেশত সংখ্যালঘু হিন্দু সম্প্ৰদায়ক আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত।

৪। নাগালেণ্ডৰ জাতীয় উৎসৱ হৰ্ণবিল উৎসৱৰ আনুষ্ঠানিক শুভাৰম্ভ। ***আৰু***

৫। ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত অসম দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰদীপ হাজৰিকা, সুশান্ত বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকিব। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ, ড০ সৌমাৰ জ্যোতি মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। এই বিষয়ে জনাইছে চৰাইদেউৰ পৰা আমাৰ সংবাদদাতা নকুল কোঁৱৰে-

**বাইট (নকুল কোঁৱৰ)**

০০০০০০

বাংলাদেশত শেহতীয়াকৈ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ বিৰুদ্ধে ব্যাপক হাৰত আক্ৰমণ-নিৰ্যাতনৰ ঘটনাৰ বিৰুদ্ধে শ্ৰীভূমি জিলাৰ অসম-বাংলাদেশ সীমান্তৰ সুতাৰকান্দিত সনাতনী ঐক্য মঞ্চই কালি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। হাজাৰ হাজাৰ প্ৰতিবাদকাৰী সমবেত হৈ অসম আৰক্ষী আৰু সীমান্ত সুৰক্ষাৰ বাহিনীৰ বেষ্টনী ভাঙি বাংলাদেশ সীমান্তত প্ৰৱেশৰ প্ৰয়াস চলায়। বাংলাদেশ সন্মিলিত সনাতনী জাগৰণ জ্যোতৰ সাধু তথা মুখপাত্ৰ চিন্ময় কৃষ্ণ দাসক গ্ৰেপ্তাৰ তথা বাংলাদেশত ভাৰতৰ পতাকা অপমান কৰাৰ বিৰুদ্ধে এনেদৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়।

ইফালে ইয়াৰ পৰিপ্ৰেক্ষিতত আন্তঃৰাষ্ট্ৰীয় কৃষ্ণ চেতনা সংঘ, ইস্কনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইস্কনৰ কলকাতা শাখাই আন্তঃৰাষ্ট্ৰীয় শান্তি সংগঠনসমূহে হিন্দু সকলৰ ওপৰত হোৱা আক্ৰমণ আৰু অত্যাচাৰৰ বিষয়ে

মৌনতা অৱলম্বন কৰাৰ অভিযোগ তুলিছে। ইস্কন কলকাতাৰ উপ-সভাপতি তথা মুখপাত্ৰ ৰাধাৰমন দাসে কয়, যে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ সংস্থাসমূহক সহায়ৰ বাবে আহ্বান জনাইছে যদিও এতিয়ালৈকে কোনেও সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। তেওঁ কয়, যে বাংলাদেশ চৰকাৰে সাধুসকলক আটক কৰাৰ লগতে হিন্দু মন্দিৰসমূহত আক্ৰমণৰ বিৰুদ্ধে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। তেওঁ লগতে এই সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ বিবৃতি জাৰি কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক অনুৰোধ জনায়। উল্লেখযোগ্য যে বাংলাদেশত যোৱা নিশা শ্যাম দাস নামৰ ইস্কনৰ আন এগৰাকী সাধুক গ্ৰেপ্তাৰ কৰা হয়। সাধুগৰাকীয়ে বাংলাদেশ আৰক্ষীয়ে এই সপ্তাহত গ্ৰেপ্তাৰ কৰা চিন্ময় প্ৰভুক সাক্ষাতৰ বাবে গৈছিল।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত ২৫ শতাংশ আসন দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষণ কৰাৰ ক্ষেত্ৰত শীঘ্ৰে অধিসূচনা জাৰি কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে এই ক্ষেত্ৰত পূৰ্বে দিয়া নিৰ্দেশ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অহা ২৫ ডিচেম্বৰৰ ভিতৰত এটা ৱেব প'ৰ্টেল খুলিবলৈকো অসম চৰকাৰক নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে নিৰ্দেশটোত কয়, যে শিক্ষাৰ অধিকাৰ আইন অনুসৰি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত ২৫ শতাংশ আসনত দৰিদ্ৰ পৰিয়ালৰ শিক্ষাৰ্থীক নামভৰ্তিৰ সুযোগ দিবলৈ ৰাজ্য চৰকাৰ বাধ্য। নিৰ্দেশটোত ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে প্ৰস্তুত কৰা প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জিলা ভিত্তিক তালিকা অনুসৰি এই সংৰক্ষণ ব্যৱস্থা ৰূপায়ণ কৰিব লাগিব। উল্লেখযোগ্য যে, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত থকা ২ হাজাৰ তিনিশ ৯৬ খন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰস্তুত কৰা তালিকা অনুসৰি ১১শ ৮৬ খন বিদ্যালয় আছে। ইয়াৰ ভিতৰত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ২৮ খন ব্যক্তিগত খণ্ডৰ বিদ্যালয় আছে।

০০০০০০

দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো কৃষি বিভাগে ৰাজহ বিভাগৰ সহযোগত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। লখিমপুৰ জিলাৰ কৃষি বিভাগে আৰম্ভ কৰা এই প্ৰক্ৰিয়া অনুসৰি অহা ১৫ ডিচেম্বৰ পৰ্যন্ত জিলাখনৰ আটাইকেইটা কৃষি চক্ৰ আৰু গাঁও পঞ্চায়ত সামৰি কৃষক পঞ্জীয়ন আৰম্ভ হ'ব। নিজৰ নামত জমাবন্দী থকা কৃষকসকল এই পঞ্জীয়নৰ বাবে যোগ্য বিবেচিত হ'ব। পঞ্জীয়নৰ বাবে আহোতে কৃষকসকলক নিজৰ আধাৰ কাৰ্ড আৰু মাটিৰ জমাবন্দীৰ প্ৰতিলিপি লগত লৈ আহিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে পঞ্জীভুক্ত কৃষকসকলেহে পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড, ধান আৰু সৰিয়হ ক্ৰয় আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব বুলি জিলা কৃষি বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

যোৱা কিছুদিন ধৰি নগাঁও জিলাৰ বিভিন্ন স্থানত আতংকৰ সৃষ্টি কৰি অহা কীটটোক মাইকী ছিগা বুলি নগাঁও জিলা স্বাস্থ্য বিভাগে চিনাক্ত কৰিছে। জিলাখনত এই কীটটোৰ আক্ৰমণত শতাধিক লোক চিকিৎসাধীন হ'বলগা হৈছিল। সাধাৰণতে এন্দুৰ, নিগনিৰ গাঁতত এই কীটটো থাকে বুলি স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সদৰী কৰা হৈছে। মানুহৰ স্পৰ্শলৈ আহিলে যি ডোখৰ স্থানত কামুৰে সেই স্থানত ক্ষতচিহ্ন হয় আৰু প্ৰচণ্ড বিষ অনুভৱ হয়। এই কীটে কামুৰিলে ২১ দিনৰ ভিতৰত স্কাব টাইফাছ বেমাৰ হ'ব পাৰে বুলিও স্বাস্থ্য বিভাগে উল্লেখ কৰে।

এই বেমাৰত আক্ৰান্ত হ'লে মানুহৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে। বৰ্তমানেও নগাঁও অসামৰিক চিকিৎসালয়ত এই কীটে আক্ৰমণ কৰা কেইবাজনো লোক চিকিৎসাধীন হৈ আছে। অৱশ্যে এই কীটে আক্ৰমণ কৰাৰ ফলত হোৱা বেমাৰ মহামাৰী নহয় বুলি নগাঁও স্বাস্থ্য বিষয়াই সদৰী কৰে। নগাঁও স্বাস্থ্য বিভাগৰ ১৬ জনীয়া এটা দলে সংশ্লিষ্ট স্থানলৈ গৈ আক্ৰন্ত লোকসকলৰ পৰীক্ষা কৰাৰ লগতে নমুনা সংগ্ৰহ কৰিছে।

oooooo

নাগালেণ্ডৰ কোহিমাৰ সমীপৰ কিচামা গাঁৱত কালি ৰাজ্যখনৰ জাতীয় উৎসৱ হৰ্ণবিল উৎসৱ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। পঞ্চবিংশতিতম এই হৰ্ণবিল উৎসৱত দেশী-বিদেশী অগণন পৰ্যটকৰ উপস্থিতিত ৰাজ্যখনৰ ৰাজ্যপাল লা গণেশন আৰু মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই পৰম্পৰাগত বৰকাঁহ বজাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তেওঁৰ উদ্বোধনী ভাষণত ৰাজ্যপাল গণেশনে এই হৰ্ণবিল উৎসৱে দেশৰ চহকী সাংস্কৃতিক পৰম্পৰা প্ৰদৰ্শিত কৰাৰ লগতে ভাৰতবৰ্ষৰ অনৈক্যৰ মাজত একতাৰ বাণী সুদৃঢ় কৰিছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ৰিঅ'ই ৰাজ্যবাসীৰ হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, পেৰু, জাপান আৰু ইংলেণ্ডৰ ৱেলছ্ ৰাজ্য আৰু ভাৰতৰ তেলেংগানা আৰু ছিকিমক এই উৎসৱৰ অংশীদাৰ হোৱা বাবে আন্তৰিক ধন্যবাদ জনায়। এই দেশকেইখনৰ প্ৰতিনিধিত্ব কৰা ৰাষ্ট্ৰদূতকেইগৰাকী আৰু ৰাজ্য চৰকাৰকেইখনৰ প্ৰতিনিধিও কালি উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতেই পদ্মভূষণ, অস্কাৰ আৰু গ্ৰেমী পুৰস্কাৰ বিজেতা প্ৰসিদ্ধ সংগীততজ্ঞ এ আৰ ৰেহমানে উপস্থিত কেইবাহাজাৰো জনতাক সম্বোধন কৰে আৰু তেওঁ সংগীতৰ মূৰ্চনা আগবঢ়ায়। আমাৰ কোহিমাৰ সংবাদদাতা এন আছানুৱে আজি পুৱা জনোৱা মতে উৎসৱৰ আজি দ্বিতীয় দিনা ভালেমান আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে কাইলৈ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা বিশেষভাৱে সক্ষম লোকসকলক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুঠ ২২ গৰাকী ব্যক্তি আৰু ১১ খন অনুষ্ঠান-প্ৰতিষ্ঠানক বঁটা প্ৰদান কৰা হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে অনুষ্ঠানত দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনিও মুকলি কৰিব।

অমৰ জৈনক এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে সম্পূৰ্ণ দৃষ্টিহীনতা থকা অমৰ জৈন আইন বৃত্তিৰ সৈতে জড়িত।

আনহাতে চলা-ফুৰা কৰাৰ ক্ষেত্ৰত ৭৫ শতাংশ শাৰীৰিক অক্ষমতা থকা প্ৰতীক খণ্ডেলৱালকো এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। শ্ৰীখাণ্ডেলৱাল হৈছে **ৰেম্প মাই চিটী**ৰ প্ৰতিষ্ঠাপক।

oooooo

ধন্যবাদ জুলি শৰ্মা বৰুৱা...

বাংলাদেশত হিন্দু নিৰ্যাতনৰ বিৰুদ্ধে ইস্কনৰ বিশ্বজুৰি প্ৰাৰ্থনা, বিদ্যালয় শিক্ষা পৰিষদত অচলাৱস্থা, পশ্চিমবংগ প্ৰশাসনৰ অসমত আলু-পিঁয়াজৰ বাহন প্ৰৱেশত বাধা আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা দৃষ্টিগোচৰ হৈছে।

চিন্ময় প্ৰভুৰ নিচৰ্ত মুক্তিৰ দাবী আৰু বাংলাদেশত হিন্দু নিৰ্যাতন বন্ধ কৰাৰ দাবীত সনাতনী ঐক্য মঞ্চই কালি শ্ৰীভূমিত চলো বাংলাদেশ আন্দোলন আৰম্ভ কৰে। আনহাতে এনে পৰিস্থিতিত দক্ষিণ এছিয়াত শান্তি উভতাই অনাৰ বাবে ইস্কনে দেওবাৰে বিশ্বৰ শতাধিক মন্দিৰত গণপ্ৰাৰ্থনা কৰে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰাৰ লগতে আমাৰ অসম কাকতে ভাৰত সীমান্তত ইস্কনৰ সন্ন্যাসীৰ ভিৰ, বাংলাদেশৰ বাধা শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষালৈ মাজত মাথো দুমাহ বাকী থকা অৱস্থাত ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগত অচলাৱস্থাই বিৰাজ কৰিছে। পৰীক্ষা নিয়ন্ত্ৰকৰ অভাৱকে ধৰি অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়াত বেমেজালিৰ সৃষ্টি হোৱা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে বিদ্যালয় শিক্ষা পৰিষদত চৰম বিশৃংখলতা শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে জলজীৱন মিছনৰ পাঁচ বছৰৰ পাছতো ৰাজ্যৰ গ্ৰামাঞ্চলৰ প্ৰতিটো ঘৰত নলযোগে খোৱাপানী যোগান ব্যৱস্থা সম্পূৰ্ণ হৈ নুঠাৰ এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিৰ শিৰোনাম জলজীৱন অসম স্থান শেষৰ ফালে।

দেশৰ ৰাষ্ট্ৰীয়কৃত বেংক ব্যক্তিগতকৰণ কৰাৰ প্ৰস্তুতি চলোৱাৰ এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো ............ ওচৰলৈ ।

০০০০০০

ভাৰতে ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কালি পুল-এৰ এখন খেলত ভাৰতে দক্ষিণ কোৰিয়াক ৮-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ অশ্বদ্বীপ সিঙে তিনিটা গল দি হেট্ৰিক কৰাৰ বিপৰীতে অৰিজিৎ সিঙে দুটা গল দিয়ে। গুৰজ্যোৎ সিং, ৰোচন কুজুৰ আৰু ৰোহিতে এটাকৈ গল দিয়ে। আনহাতে কোৰিয়াৰ হৈ টেহিয়ন কিমে এটা গল দিয়ে। ছেমি ফাইনেলত কাইলৈ ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

বিশিষ্ট কণ্ঠশিল্পী অনিমা চৌধুৰীলৈ কিৰণ লস্কৰ সোঁৱৰণী হংসধবনি সংগীত ৰত্ন বঁটা আগবঢ়োৱা হৈছে। গোলাঘাটৰ বোকাখাত হংসধবনি সংগীত কলাকেন্দ্ৰৰ ৩১ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে কালি আয়োজন কৰা এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ কেবিনেট মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

দৰং জিলাৰ অগ্ৰণী গ্ৰন্থ ব্যৱসায়ী, মঙলদৈ নগৰৰ প্ৰাচীন গ্ৰন্থ প্ৰতিষ্ঠান জ্ঞানজ্যোতিৰ স্বত্বাধিকাৰী নিত্যানন্দ সাহাৰ কালি তেওঁৰ মঙলদৈৰ ৩ নম্বৰ ৱাৰ্ডৰ নিজা বাস ভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। ৮০ দশকত মঙলদৈ নগৰত জ্ঞানজ্যোতি গ্ৰন্থ বিপণী প্ৰতিষ্ঠা কৰি অঞ্চলটোত

গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰা মঙলদৈৰ ৰাম জানকী মন্দিৰকে ধৰি ভালেমান সামাজিক সংগঠনৰ সৈতে জড়িত আছিল।

০০০০০০

বতৰৰ বতৰা- বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ আগলি বতৰা অনুসৰি বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱান আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰ আছিল ২৭ দশমিক ৮ ডিগ্ৰী ছেলছাছ্ আৰু সৰ্বনিম্ন তাপমাত্ৰ আছিল ১৪ দশমিক ৪ ডিগ্ৰী ছেলছাছ।

আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছাছৰ আশে-পাশে থকাৰ সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত